**17-05-2025** প্ৰাতঃমুৰুলী ওঁম্ শান্তি**!** "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – নিজে নিজক চোৱা যে মই ফুল হৈছোঁনে, দেহৰ অহংকাৰত আহি কাঁইটতো নহওঁ? পিতা তোমালোকক কাঁইটৰ পৰা ফুল কৰি তুলিবলৈ আহিছে"**

প্ৰশ্ন: কোনটো নিশ্চয়তাৰ আধাৰত পিতাৰ সৈতে অটুট স্নেহ থাকিব পাৰে?

উত্তৰ: প্ৰথমে নিজক আত্মা বুলি নিশ্চয় কৰা তেতিয়া পিতাৰ সৈতে স্নেহ থাকিব। এইটোও অটুট নিশ্চয়তা থাকিব লাগে যে নিৰাকাৰ পিতা এই ভাগীৰথত বিৰাজমান হৈ আছে। তেওঁ আমাক এওঁৰ দ্বাৰা পঢ়াই আছে। যেতিয়া এইটো নিশ্চয়তা নোহোৱা হয় তেতিয়া স্নেহ কম হৈ যায়।

ওঁম্ শান্তি। কাঁইটৰ পৰা ফুল কৰি তোলোঁতা ভগৱানৰ বাণী অথবা বাগিচাৰ মালিক ভগৱানৰ বাণী। সন্তানসকলে জানে যে আমি ইয়ালৈ কাঁইটৰ পৰা ফুল হ'বৰ বাবে আহিছোঁ। প্ৰত্যেকে বুজি পায় যে আগতে আমি কাঁইট আছিলোঁ। এতিয়া ফুল হৈ আছোঁ। পিতাৰ মহিমাতো বহুত কৰে, পতিত-পাৱন আহক। তেওঁ নাৱৰীয়া, বাগিচাৰ মালিক, পাপ খণ্ডন কৰোঁতা। বহুত নামেৰে মাতে কিন্তু চিত্ৰ সকলো ঠাইতে একে। তেওঁৰ গুণানুকীৰ্তনো কৰে – জ্ঞানৰ সাগৰ, সুখৰ সাগৰ... এতিয়া তোমালোকে জানা যে আমি সেই এজন পিতাৰ ওচৰত বহি আছোঁ। কাঁইটৰূপী মনুষ্যৰ পৰা আমি ফুলৰূপী দেৱতা হ'বলৈ আহিছোঁ। এয়া হৈছে লক্ষ্য-উদ্দেশ্য। এতিয়া প্ৰত্যেকে নিজৰ অন্তৰত চাব লাগে, মোৰ দৈৱীগুণ আছেনে? মই সৰ্বগুণ সম্পন্ন হওঁনে? আগতেতো দেৱতাসকলৰ গুণানুকীৰ্তন কৰিছিলা, নিজকে কাঁইট বুলি ভাবিছিলা। মোৰ নিৰ্গুণীৰ কোনো গুণ নাই... কিয়নো 5 বিকাৰ আছে। দেহ-অভিমানো বহুত কাঢ়া অভিমান। নিজক আত্মা বুলি বুজিলে তেতিয়া পিতাৰ প্ৰতিও বহুত স্নেহ থাকিব। এতিয়া তোমালোকে জানা যে নিৰাকাৰ পিতা এই ৰথত (ব্ৰহ্মাৰ শৰীৰত) বিৰাজমান হৈ আছে। এইটো নিশ্চয়তা জন্মাৰ পাছতো আকৌ নিশ্চয়তা নোহোৱা হৈ যায়। তোমালোকে কোৱাও – আমি শিৱবাবাৰ ওচৰলৈ আহিছোঁ। যিজন এই ভাগীৰথ প্ৰজাপিতা ব্ৰহ্মাৰ শৰীৰত আছে, আমাৰ অৰ্থাৎ সকলো আত্মাৰ পিতা এজন শিৱবাবা, তেওঁ এই ৰথত বিৰাজমান হৈ আছে। এইটো নিশ্চয়তা দৃঢ়ভাৱে থাকিব লাগে, এই ক্ষেত্ৰতে মায়াই সংশয়ত লৈ আহে। কন্যা পতিৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়, ভাবে তেওঁৰ পৰা বহুত সুখ পাব, কিন্তু কি সুখ পায়, গৈ তৎক্ষণাৎ অপৱিত্ৰ হৈ যায়। কুমাৰী হ'লে মা-পিতা আদি সকলোৱে মূৰ দোঁৱায় কিয়নো পৱিত্ৰ হয়। অপৱিত্ৰ হ'ল আৰু সকলোৰে আগত মূৰ দোঁৱাবলৈ আৰম্ভ কৰি দিয়ে। আজি সকলোৱে তেওঁক মূৰ দোঁৱায় কাইলৈ নিজে মূৰ দোঁৱাবলৈ ধৰে।

তোমালোক সন্তানসকল সংগমত পুৰুষোত্তম হৈ আছা। কাইলৈ ক'ত থাকিবা? বৰ্তমান এয়া ঘৰ-সংসাৰৰ কি অৱস্থা! কিমান লেতেৰা কৰ্মকাণ্ড হৈ আছে! ইয়াক কোৱাই হয় বেশ্যালয়। সকলো বিহৰ (বিকাৰৰ) দ্বাৰা জন্ম হয়। তোমালোকেই শিৱালয়ত আছিলা, আজিৰ পৰা 5000 বছৰ পূৰ্বে বহুত সুখী আছিলা। দুখৰ নাম-চিহ্ন নাছিল। এতিয়া পুনৰ এনেকুৱা হ'বলৈ আহিছা। মনুষ্যই শিৱালয়ৰ বিষয়ে নাজানেই। স্বৰ্গক কোৱা হয় শিৱালয়। শিৱবাবাই স্বৰ্গ স্থাপনা কৰিলে। বাবা বুলিতো সকলোৱে কয় – কিন্তু সোধাচোন পিতা ক'ত আছে? তেতিয়া সৰ্বব্যাপী বুলি কৈ দিয়ে। কুকুৰ, মেকুৰী, কাছ-মাছ সকলোতে আছে বুলি কৈ দিয়ে তেন্তে কিমান পাৰ্থক্য হ'ল! পিতাই কয় – তোমালোক পুৰুষোত্তম আছিলা, আকৌ 84 জন্ম ভোগ কৰি তোমালোক কি হৈ গ'লা? নৰকবাসী হৈছা সেইবাবে সকলোৱে গায় – হে পতিত-পাৱন আহক। এতিয়া পিতা পাৱন কৰি তুলিবলৈ আহিছে। তেওঁ কয় – এই অন্তিম জন্মত বিহ পান কৰিবলৈ এৰা। তথাপিও নুবুজে। সকলো আত্মাৰ পিতাই এতিয়া কয় – পৱিত্ৰ হোৱা। সকলোৱে কয়ো – বাবা, আত্মাৰ প্ৰথমে সেইজন পিতা (শিৱবাবা) স্মৃতিলৈ আহে, তাৰ পাছত এইজন বাবা। নিৰাকাৰত সেইজন বাবা, সাকাৰত আকৌ এইজন বাবা। পৰম আত্মাই বহি এই পতিত আত্মাসকলক বুজায়। তোমালোকো প্ৰথমতে পৱিত্ৰ আছিলা। পিতাৰ লগত আছিলা আকৌ তোমালোক ইয়ালৈ ভূমিকা পালন কৰিবলৈ আহিছা। এই চক্ৰক ভালদৰে বুজি লোৱা। এতিয়া আমি সত্যযুগলৈ; নতুন সৃষ্টিলৈ যাবলৈ ওলাইছো। তোমালোকৰ আশাও আছে নহয় যে আমি স্বৰ্গলৈ যাওঁ। তোমালোকে কৈছিলাও যে কৃষ্ণৰ নিচিনা যাতে সন্তান পাওঁ। এতিয়া মই আহিছোঁ তোমালোকক এনেকুৱাকৈ গঢ়ি তুলিবলৈ। তাত সন্তান শ্ৰীকৃষ্ণৰ দৰেই হয়। সতোপ্ৰধান ফুল হয় নহয়। এতিয়া তোমালোক কৃষ্ণপুৰীলৈ যোৱা। তোমালোকতো স্বৰ্গৰ মালিক হোৱাগৈ। নিজকে সুধিব লাগে - মই ফুল হৈছোঁনে? ক'ৰবাত দেহৰ অহংকাৰত আহি কাঁইটতো নহওঁ? মনুষ্যই নিজকে আত্মা বুলি ভবাৰ সলনি দেহ বুলি ভাবি লয়। আত্মাক পাহৰা বাবে পিতাকো পাহৰি গৈছে। পিতাক পিতাৰ দ্বাৰাহে জনা বাবে পিতাৰ উত্তৰাধিকাৰ পোৱা যায়। বেহদৰ পিতাৰ পৰা উত্তৰাধিকাতো সকলোৱে পায়। এজনো নাথাকে যিয়ে উত্তৰাধিকাৰ নাপায়। পিতাহে আহি সকলোকে পাৱন কৰি

তোলে। নিৰ্বাণধামলৈ লৈ যায়। তেওঁলোকেতো কৈ দিয়ে - জ্যোতি জ্যোতিত সমাহিত হৈ গ'ল, ব্ৰহ্মত লীন হৈ গ'ল। জ্ঞান একো নাই। তোমালোকে জানা – আমি কাৰ ওচৰলৈ আহিছোঁ? এয়া কোনো মনুষ্যৰ সৎসংগ নহয়। আত্মাসকল পৰমাত্মাৰ পৰা বিচ্ছিন্ন হ'ল, এতিয়া তেওঁৰ সংগ পাইছে। এয়া সঁচা সত্যৰ সংগ 5000 হাজাৰ বছৰত এবাৰে হয়। সত্যযুগ-ত্ৰেতাততো সৎসংগ নাথাকে। বাকী ভক্তিমাৰ্গততো অনেক সৎসংগ আছে। এতিয়া বাস্তৱত সত্যতো এজন পিতাহে হয়। এতিয়া তোমালোক তেওঁৰ সংগত বহি আছা। এইটোও যদি স্মৃতি থাকে যে আমি ঈশ্বৰীয় বিদ্যাৰ্থী, ভগৱানে আমাক পঢ়ায়, সেয়াও অতি সৌভাগ্যৰ কথা।

আমাৰ বাবা ইয়াত আছে, তেওঁ পিতা, শিক্ষক আৰু গুৰুও হয়। তিনিওটা ভূমিকাই এতিয়া পালন কৰি আছে। সন্তানসকলক নিজৰ কৰি লয়। পিতাই কয় – স্মৃতিৰ দ্বাৰাহে বিকৰ্ম বিনাশ হ'ব। পিতাক স্মৰণ কৰিলেহে পাপ খণ্ডন হয় তেতিয়া তোমালোকে লাইটৰ মুকুট পাই যোৱা। এয়াও এটা চিহ্ন। বাকী এনেকুৱা নহয় যে লাইট দেখিবলৈ পোৱা যায়। এয়া পৱিত্ৰতাৰ চিহ্ন। এই জ্ঞান অন্য কোনেও পাব নোৱাৰে। দিওঁতা এজনেই পিতা। তেওঁৰ সম্পূৰ্ণ জ্ঞান আছে। পিতাই কয় – মই মনুষ্য সৃষ্টিৰ বীজৰূপ হওঁ। এয়া ওলোটা বৃক্ষ। এয়া কল্পবৃক্ষ নহয় জানো। প্ৰথমতে দৈৱী কুলৰ বৃক্ষ আছিল। এতিয়া কাঁইটৰ জংঘল হৈ গৈছে কিয়নো 5 বিকাৰ আহি গৈছে। প্ৰথমতে, মুখ্য হ'ল দেহ-অভিমান। তাত দেহ-অভিমান নাথাকে। ইমানখিনি বুজে – আমি আত্মা, বাকী পৰমাত্মা পিতাক নাজানে। আমি আত্মা, বচ্। অন্য কোনো জ্ঞান নাই। (সাপৰ দৃষ্টান্ত) এতিয়া তোমালোকক বুজোৱা হয় যে এয়া জন্ম-জন্মান্তৰৰ পুৰণি পচি যোৱা ছাল (শৰীৰ) যি এতিয়া তোমালোকে এৰিব লাগে। এতিয়া আত্মা আৰু শৰীৰ দুয়োটা পতিত। আত্মা পৱিত্ৰ হৈ গ'লে তেতিয়া এই শৰীৰ এৰি দিব। সকলো আত্মা দৌৰিব। এই জ্ঞান এতিয়া তোমালোকৰ আছে যে এই নাটক সম্পূৰ্ণ হ'ব। এতিয়া আমি পিতাৰ ওচৰলৈ যাব লাগে, সেইবাবে ঘৰক স্মৰণ কৰিব লাগে। এই দেহ ত্যাগ কৰিব লাগে, শৰীৰ নাশ হ'ল মানে সৃষ্টি নাশ হ'ল তাৰ পাছত নতুন ঘৰলৈ যাম তেতিয়া নতুন সম্বন্ধ হৈ যাব। তেওঁলোকে তথাপিও পুনৰ্জন্ম ইয়াতেই লয়। তোমালোকেতো ফুলৰ সৃষ্টিত পুনৰ্জন্ম ল'ব লাগে। দেৱতাসকলক পৱিত্ৰ বুলি কোৱা হয়। তোমালোকে জানা – আমিয়েই ফুল আছিলোঁ আৰু কাঁইট হ'লোঁ পুনৰ ফুলৰ সৃষ্টিলৈ যাব লাগে। আগলৈ গৈ তোমালোকৰ বহুত সাক্ষাৎকাৰ হ'ব। এয়া হ'ল খেল-ধেমালি। মীৰাই ধ্যানত খেলিছিল, তেওঁৰ জ্ঞান নাছিল। মীৰা কোনো বৈকুণ্ঠলৈ যোৱা নাই। ইয়াতেই ক'ৰবাত থাকিব। যদি এই ব্ৰাহ্মণ কুলৰ হয় তেন্তে ইয়াতেই জ্ঞান লৈ আছে। এনেকুৱা নহয়, নৃত্য কৰিলে গতিকে বচ্ বৈকুণ্ঠলৈ গুচি গ'ল। এনেকৈতো বহুতে নৃত্য কৰিছিল। ধ্যানত গৈ প্ৰত্যক্ষ কৰি আহিছিল আৰু গৈ বিকাৰী হ'লগৈ। গোৱা হয় নহয় – ওপৰলৈ উঠিলে (উন্নতি কৰিলে) বৈকুণ্ঠ ৰসৰ সোৱাদ পাবা... পিতাই আশ্বাস দিয়ে – তোমালোক বৈকুণ্ঠৰ মালিক হ'ব পাৰা যদিহে জ্ঞান-যোগ শিকা। পিতাক এৰিলা মানে নৰ্দমাত পৰিলা (বিকাৰগ্ৰস্ত হ'লা)। আশ্চৰ্যজনকভাৱে বাবাৰ হয়, শুনে, শুনায় তাৰ পাছত পিতাক এৰি আঁতৰি যায়। অহো মায়া! কিমান গভীৰ আঘাত লাগি যায়। এতিয়া তোমালোক পিতাৰ শ্ৰীমতত দেৱতা হৈ যোৱা। আত্মা আৰু শৰীৰ দুয়োটাই শ্ৰেষ্ঠ লাগে নহয়। দেৱতাসকলৰ জন্ম বিকাৰেৰে নহয়। সেইখন হয়েই নিৰ্বিকাৰী সৃষ্টি। তাত 5 বিকাৰ নাথাকে। শিৱবাবাই স্বৰ্গ স্থাপনা কৰিছিল। এতিয়াতো নৰক। এতিয়া তোমালোক পুনৰ স্বৰ্গবাসী হ'বলৈ আহিছা, যিসকলে ভালদৰে পঢ়ে তেওঁলোকহে স্বৰ্গলৈ যাব। তোমালোকে পুনৰ পঢ়া, কল্প কল্প পঢ়ি থাকিবা। এই চক্ৰ ঘূৰি থাকিব। এইখন পূৰ্ব নিৰ্ধাৰিত ড্ৰামা, ইয়াৰ পৰা কোনেও মুক্ত হ'ব নোৱাৰে। যি কিছু দেখিবলৈ পোৱা, মহ উৰিছে, কল্পৰ পাচতো উৰিব। এয়া বুজিবলৈ বহুত ভাল বুদ্ধিৰ প্ৰয়োজন। এয়া দৃশ্যগ্ৰহণ চলি থাকে। এয়া হৈছে কৰ্মক্ষেত্ৰ। পৰমধামৰ পৰা ইয়ালৈ ভূমিকা পালন কৰিবলৈ আহিছা।

এতিয়া এই পঢ়াত কোনোবাতো বহুত বুদ্ধিমান হৈ যায়, কোনোবাই এতিয়া পঢ়ি আছে। কোনোৱে পঢ়ি পঢ়ি পুৰণাসকলতকৈও তীক্ষ্ণ হৈ যায়। জ্ঞান সাগৰেতো সকলোকে পঢ়াই থাকে। পিতাৰ হ'লা আৰু বিশ্বৰ উত্তৰাধিকাৰ তোমালোকৰ। অৱশ্যে হয়, তোমালোক আত্মা যি পতিত হৈ গৈছা পাৱন নিশ্চয় হ'ব লাগে, তাৰ বাবে অতিকৈ সহজ উপায় হ'ল – বেহদৰ পিতাক স্মৰণ কৰি থাকিবা তেতিয়া তোমালোক এয়া (দেৱী-দেৱতা) হৈ যাবা। তোমালোক সন্তানসকলৰ এই পুৰণি সৃষ্টিৰ প্ৰতি বৈৰাগ্য জন্মা উচিত। বাকী মুক্তিধাম, জীৱনমুক্তিধাম আছে আৰু পিতাৰ বাহিৰে আন কাকো আমি স্মৰণ নকৰোঁ। পুৱাতে উঠি অভ্যাস কৰিব লাগে যে আমি অশৰীৰী হৈ আহিছোঁ, অশৰীৰী হৈ যাব লাগে। তেনেস্থলত কোনো দেহধাৰীক আমি কিয় স্মৰণ কৰিব লাগে। পুৱাতে অমৃতবেলা উঠি নিজৰ সৈতে এনেকুৱা কথাবোৰ পাতিব লাগে। পুৱাৰ সময়খিনিক অমৃতবেলা বুলি কোৱা হয়। জ্ঞান অমৃত জ্ঞান সাগৰৰ ওচৰত আছে। সেয়েহে জ্ঞান সাগৰে কয় –পুৱাৰ সময়খিনি বহুত ভাল। পুৱাতে উঠি বহুত স্নেহেৰে পিতাক স্মৰণ কৰিবা – বাবা, আপোনাক 5000 বছৰ পাছত পুনৰাই লগ পাইছোঁ। এতিয়া পিতাই কয় – মোক স্মৰণ কৰা তেতিয়া পাপ খণ্ডন হৈ যাব। শ্ৰীমতত চলিব লাগে। সতোপ্ৰধান নিশ্চয় হ'ব লাগে। পিতাক স্মৰণ কৰাৰ অভ্যাস হৈ গ'লে তেতিয়া আনন্দত বহি থাকিবা। শৰীৰৰ

বোধ নাইকিয়া হৈ গৈ থাকিব। তেতিয়া দেহৰ বোধ নাথাকিব। বহুত আনন্দিত হৈ থাকিবা। তোমালোক যেতিয়া পৱিত্ৰ আছিলা তেতিয়া আনন্দত আছিলা। তোমালোকৰ বুদ্ধিত এই সকলো জ্ঞান থকা উচিত। প্ৰথমতে যিসকল আহে নিশ্চয় তেওঁলোকে 84 জন্ম ল'ব। তাৰ পাছত চন্দ্ৰবংশী কিছু কম, ইছলামীসকলে তাতোকৈ কম জন্ম ল'ব। ক্ৰমানুসৰি বৃক্ষৰ বৃদ্ধি হয় নহয়। মুখ্য হৈছে – দৈৱী ধৰ্ম পুনৰ তাৰ পৰা 3টা ধৰ্ম ওলায়। তাৰ পাছত ঠাল-ঠেঙুলি ওলায়। এতিয়া তোমালোকে ড্ৰামাক জানা। এই ড্ৰামা ওকণিৰ দৰে বহুত লাহে লাহে ঘূৰি থাকে। ছেকেণ্ডৰ পাছত ছেকেণ্ড টিক্ টিক্কৈ চলি থাকে সেইবাবে গোৱা হয় – ছেকেণ্ডত জীৱনমুক্তি। আত্মাই নিজৰ পিতাক স্মৰণ কৰে। বাবা আমি আপোনাৰ সন্তান। আমিতো স্বৰ্গত থকা উচিত। তেন্তে আকৌ নৰকত কিয় পৰি আছোঁ। পিতাতো স্বৰ্গ স্থাপনা কৰোঁতা হয় তেন্তে আকৌ নৰকত কিয় পৰি আছোঁ। পিতাই বুজায় – তোমালোক স্বৰ্গত আছিলা, 84 জন্ম লৈ লৈ তোমালোকে সকলো পাহৰি গ'লা। এতিয়া পুনৰ মোৰ মতত চলা। পিতাৰ স্মৃতিৰেহে বিকৰ্ম বিনাশ হ'ব কিয়নো আত্মাতহে খাদ (বিকাৰৰ লেপ) পৰে। শৰীৰ হৈছে আত্মাৰ অলংকাৰ। আত্মা পৱিত্ৰ হ'লে তেতিয়া শৰীৰো পৱিত্ৰ পোৱা যায়। তোমালোকে জানা যে আমি স্বৰ্গত আছিলোঁ, এতিয়া পুনৰ পিতা আহিছে গতিকে পিতাৰ পৰা সম্পূৰ্ণ উত্তৰাধিকাৰ লোৱা উচিত নহয় জানো। 5 বিকাৰ ত্যাহ কৰিব লাগে। দেহ-অভিমান এৰিব লাগে। কাম-কাজ কৰি পিতাক স্মৰণ কৰি থাকিবা। আত্মাই নিজৰ প্ৰেমিকক আধাকল্পৰ পৰা স্মৰণ কৰি আহিছে। এতিয়া সেই প্ৰেমিক আহিছে। তেওঁ কয় – তোমালোক কাম চিতাত বহি ক'লা হৈ গৈছা। এতিয়া মই সুন্দৰ কৰি তুলিবলৈ আহিছোঁ। তাৰ বাবে এয়া 'যোগ অগ্নি'। জ্ঞানক চিতা বুলি কোৱা নহ'ব। 'যোগ'ৰ চিতা হয়। 'যোগ'ৰ চিতাত বহিলে বিকৰ্ম বিনাশ হ'ব। জ্ঞানকতো 'ন'লেজ' বুলি কোৱা হয়। পিতাই তোমালোকক সৃষ্টিৰ আদি-মধ্য-অন্তৰ জ্ঞান শুনায়। উচ্চতকৈও উচ্চ হৈছে পিতা তাৰ পাছত ব্ৰহ্মা-বিষ্ণু-শংকৰ, তাৰ পাছত সূৰ্যবংশী-চন্দ্ৰবংশী তাৰ পাছত অন্য ধৰ্মবোৰৰ পাৰ্শ্ব কাহিনী। বৃক্ষ কিমান ডাঙৰ হৈ গৈ থাকে। এতিয়া এই বৃক্ষৰ আধাৰ নাই সেইবাবে বট-বৃক্ষৰ উদাহৰণ দিয়া হয়। দেৱী-দেৱতা ধৰ্ম প্ৰায়ঃ লোপ হৈ গৈছে। ধৰ্ম ভ্ৰষ্ট, কৰ্ম ভ্ৰষ্ট হৈ গৈছে। এতিয়া তোমালোক সন্তানসকলে শ্ৰেষ্ঠ হ'বৰ বাবে শ্ৰেষ্ঠ কৰ্ম কৰা। নিজৰ দৃষ্টি নিৰ্বিকাৰী কৰি তোলা। তোমালোকে এতিয়া ভ্ৰষ্ট কৰ্ম কৰিব নালাগে। আসুৰিক দৃষ্টি যাতে নাযায়। নিজকে চোৱা – মই লক্ষ্মী-নাৰায়ণক বৰণ কৰাৰ লায়ক হৈছোঁনে? মই নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰোঁনে? নিতৌ খতিয়ান চাবা। গোটেই দিনটোত দেহ-অভিমানত আহি কোনো বিকৰ্মতো নকৰিলোঁ? নহ'লে এশগুণ হৈ যাব। মায়াই খতিয়ানো ৰাখিব নিদিয়ে। 2-4 দিন লিখি আকৌ এৰি দিয়ে। পিতাৰ খেয়াল থাকে নহয়। দয়া উপজে – সন্তানসকলে, মোক স্মৰণ কৰক তেতিয়া পাপ খণ্ডন হৈ যাব। এই ক্ষেত্ৰত পৰিশ্ৰম কৰিবলগীয়া হয়। নিজৰ লোকচান কৰিব নালাগে। জ্ঞানতো বহুত সহজ। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলৰ প্ৰতি নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পুৱাতে অমৃতবেলা উঠি পিতাৰ সৈতে মিঠা মিঠা কথা পাতিব লাগে। অশৰীৰী হোৱাৰ অভ্যাস কৰিব লাগে। ধ্যান ৰাখিব লাগে যাতে পিতাৰ স্মৃতিৰ বাহিৰে আন একোৱে স্মৃতিলৈ নাহে।

(2) নিজৰ দৃষ্টি বহুত শুদ্ধ আৰু পৱিত্ৰ কৰিব লাগে। দৈৱী ফুলৰ বাগিচা তৈয়াৰ হৈ আছে সেইবাবে ফুল হোৱাৰ পূৰা পুৰুষাৰ্থ কৰিব লাগে। কাঁইট হ'ব নালাগে।

**বৰদান:** নিজৰ শক্তিশালী স্থিতিৰে মনৰ সেৱাৰ প্ৰমাণ-পত্ৰ প্ৰাপ্ত কৰোঁতা স্ব-অভ্যাসী হোৱা

বিশ্বক 'লাইট' আৰু 'মাইট'ৰ বৰদান দিবলৈ অমৃতবেলা স্মৃতিত থকাৰ স্ব-অভ্যাসৰ দ্বাৰা বায়ুমণ্ডল শক্তিশালী কৰি তোলা তেতিয়া মনৰ সেৱাৰ প্ৰমাণ-পত্ৰ প্ৰাপ্ত হৈ যাব। অন্তিম সময়ত মনৰ দ্বাৰাই দৃষ্টিৰে ভৰপূৰ কৰাৰ, নিজৰ বৃত্তিৰ দ্বাৰা তেওঁলোকৰ বৃত্তি পৰিৱৰ্তন কৰাৰ সেৱা কৰিব লাগিব। নিজৰ শ্ৰেষ্ঠ স্মৃতিৰে সকলোকে সমৰ্থ কৰি তুলিব লাগে। যেতিয়া এনেকুৱা 'লাইট-মাইট' দিয়াৰ অভ্যাস হ'ব তেতিয়া বায়ুমণ্ডল নিৰ্বিঘ্ন হৈ যাব আৰু এই দুৰ্গ শক্তিশালী হ'ব।

**শ্লোগান:** বুদ্ধিমান তেওঁ যিয়ে মনৰ দ্বাৰা, বাণীৰ দ্বাৰা আৰু কৰ্মৰ দ্বাৰা তিনিওটা সেৱা একেলগে কৰে।

!! ওঁম্ শান্তি !!

আত্মিক আভিজাত্য আৰু পৱিত্ৰতাৰ ব্যক্তিত্ব ধাৰণ কৰিবলৈ আজিৰ অব্যক্ত সংকেত:

যি প্ৰত্যাহ্বান জনোৱা যে চেকেণ্ডত মুক্তি-জীৱনমুক্তিৰ উত্তৰাধিকাৰ প্ৰাপ্ত কৰক, সেয়া বাস্তৱত ৰূপায়িত কৰিবলৈ স্ব-পৰিৱৰ্তনৰ গতি চেকেণ্ডলৈকে আহি পাইছেনে? স্ব-পৰিৱৰ্তনৰ দ্বাৰা আনকো পৰিবৰ্তন কৰা। অনুভৱ কৰোৱা যে ব্ৰহ্মাকুমাৰ অৰ্থাৎ বৃত্তি, দৃষ্টি, কৃতি আৰু বাণীৰ পৰিৱৰ্তন। লগতে পৱিত্ৰতাৰ ব্যক্তিত্ব, আত্মিক আভিজাত্যৰ অনুভৱ কৰোৱা। আহিয়েই, লগ পায়েই এই ব্যক্তিত্বৰ প্ৰতি আকৰ্ষিত হৈ যাওঁক।